# এলে বেলে MBA পাছ

▲△ দেৱজিৎ ভূঞা




চতুৰ্থ অধ্যায়

**মো**ৰ এজন বন্ধু এখন মেনেজমেণ্ট কলেজৰ ডিৰেক্টৰ। মেনেজমেণ্ট বিষয়ত তেওঁৰ ডক্টৰেট ডিগ্ৰী আছে। মই হ'লো আকৌ জীৱন আৰু কৰ্মজীৱনৰ পৰা মেনেজমেণ্টৰ বিষয়ে আয়ত্ত কৰি correspondance শিক্ষাৰে মেনেজমেণ্টৰ ডিপ্লমা লোৱা ব্যক্তি। মেনেজমেণ্টৰ বিষয়ে কিতাপ এখন লিখিম বুলি ভাবি তেওঁলৈ ফোন কৰি সুধিলো যে মেনেজমেণ্টৰ কিতাপখনত মেনেজমেণ্টৰ সংজ্ঞা কি বুলি দিম। কেইবাদিনো পাৰ হৈ গ'ল যদিও একো উত্তৰ নাহিল। পাহৰিলে বুলি ভাবি পুনৰ ফোন কৰিলো। উত্তৰ দিলে নাই পাহৰা, দুই-এদিনতে mail কৰি আছো। পুনৰ এসপ্তাহ পাৰ হ'ল। মোৰ মনত পৰিল ক্লাছ



থ্ৰীত থাকোতে মোৰ ছোৱালীয়ে চিঞৰি চিঞৰি পঢ়ি থকা হিন্দী সাধুটোলৈ। সৰুতে আমিও পঢ়িছিলো কিন্তু পাহৰি গৈছিলো।

এসময়ত এখন ধাননি পথাৰত এজনী টুনী চৰায়ে বাঁহ সাজিলে। বহুত কণী পাৰি উমনি দি কেইবাটাও পোৱালি জগালে আৰু লাহে লাহে পোৱালিকেইটা ডাঙৰ হ'ল আৰু অলপ অচৰপ উৰিবলৈ শিকিলে। ইতিমধ্যে আঘোণ মাহ আহিল আৰু ধান পকিবলৈ আৰম্ভ কৰিলে। এদিন এজন ব্যক্তি ধাননিদৰাৰ ওচৰলৈ আহিল আৰু নিজকে নিজে ক'লে— 'ধানবোৰ পকিবলৈ আৰম্ভ কৰিছে। অহা সপ্তাহত মই গাঁৱৰ মানুহখিনি গোট খুৱাই ধান কাটিবলৈ আহিম আৰু এদিন বা দুদিনৰ ভিতৰতে ধানদৰা কাটি ঘৰলৈ লৈ যাম।' টুনী চৰাইৰ পোৱালিকেইটাই কথাখিনি শুনি ভীষণ ভয় খালে আৰু কঁপি উঠিল। মাক ঘূৰি অহাৰ পাচত পোৱালিকেইটাই গোটেই কথা সবিস্তাৰে মাকক ক'লে। মাকে হাঁহি মাৰি কথাটোত কোনো গুৰুত্ব নিদিলে। ইতিমধ্যে এসপ্তাহ, দহ দিন পাৰ হৈ গ'ল আৰু এদিন ব্যক্তিজনে পুনৰ ধাননি দৰাৰ ওচৰলৈ আহিল। পুনৰ ধানদৰা চাই নিজকে নিজে ক'লে— 'ধানখিনি সম্পূৰ্ণ পকি উঠিল আৰু বেছি দেৰি হ'লে জহিবলৈ আৰম্ভ কৰিব। গাঁৱৰ মানুহবোৰ কোনোৱেই নাহিল। সকলোৰে সময় নাই। সেয়ে আজি গৈ খুৰা-খুৰী আৰু মামা-মামীহঁতক লগ ধৰি তিনি-চাৰিদিন পাচত তেওঁলোকক লগত লৈ ধনদৰা দাবলৈ আহিম।' চৰাই পোৱালিকেইটাই এইবাৰো ভীষণ ভয় খালে আৰু মাক উভতি অহাৰ লগে লগে কথাটো ক'লে। মাকে এইবাৰো কথাটোত বিশেষ গুৰুত্ব নিদিলে। ইতিমধ্যে পোৱালিকেইটাও ভালদৰে উৰিবলৈ শিকি উঠিল। চাৰি-পাঁচ দিনমানৰ পাচত পুনৰ মানুহজন ধাননি পথাৰখনৰ ওচৰলৈ আহিল আৰু ধনদৰা চাই হুমুনিয়াহ কাঢ়ি ক'লে— 'ধানবোৰ জহিবলৈ আৰম্ভ কৰিছেই। এতিয়া আৰু আনৰ ওপৰত ভাৰসা কৰি থাকিলে নহ'ব। কাইলৈ পুৱা মই নিজেই শ্ৰীমতীক লৈ ধান দাবলৈ আহিম।' মাক ঘূৰি অহাৰ পাচত চৰাই পোৱালিকেইটাই মাকক মানুহজনে কোৱা কথাখিনি ক'লে। মাকে ক'লে— এতিয়া আমাৰ ইয়াৰ পৰা যোৱাৰ সময় হ'ল। কাইলৈ ধলপুৱাতে আমি দূৰৰ হাবিলৈ উৰি



গুচি যাম। এইবাৰ সঁচাঁকৈয়ে ধাননি পথাৰৰ ধানবোৰ কটা হ'ব। পাঁচদিনা ধলপুৱাতে টুনীজনীয়ে পোৱালিকেইটাক লৈ দূৰৈৰ হাবিলৈ উৰি গুচি গ'ল। তাৰ কিছু সময় পাচতে আহি মানুহজনে পত্নী আৰু পুত্ৰক লগত লৈ ধান কটা আৰম্ভ কৰিলে। সাধুটোৰ কথা মনত পৰাৰ লগে লগে মোৰ কাণত মোৰ ছোৱালীয়ে মৰা চিএঞৰটো— 'ইচ্‌লিয়ে হম অপনা কাম স্বয়ং কৰনা চাহিয়ে' বাজি উঠিল।


এবাৰ ভাবিলো মোৰ MBA পঢ়ি থকা ছোৱালী বনুকে সোধো যে মেনেজমেণ্টৰ সংজ্ঞা কিতাপখনত কি হোৱা উচিত? বন্ধুৰ লগত হোৱা কথোপকথনখিনি কোৱাৰ পাচত মোৰ ছোৱালীয়ে কি উত্তৰ দিব কাণত বাজি উঠিল— 'হম অপনা কাম স্বয়ং কৰনা চাহিয়ে। উপদেশতকৈ আৰ্হি ভাল।' সেয়ে ভাবিলো সহজ উপায় হিচাপে গুগুল ডাঙৰীয়াকে সোধা যাওক। যেনে ভাব তেনে কাম। কিন্তু গুগুল ডাঙৰীয়াক সুধি বিপদতহে পৰিলো। ইণ্টাৰনেটত ইমানেই বেছি সংজ্ঞা যে মই অধিক মাছত বগলী কণা হোৱাৰ দৰে হ'লো। ইণ্টাৰনেটৰ পৰা মোৰ বহুতো বন্ধুৱে অসংখ্য কথা down-



**মেনেজমেণ্ট এনে এজনী গাই গৰু যিয়ে নেকি সকলো গাইতকৈ কম দানা, ঘাঁহ আৰু পানী খোৱা উচিত। কিন্তু সকলো গাইতকৈ অধিক গাখীৰ, গোবৰ আৰু মৰিলে ছামৰা তথা হাড় দিয়া উচিত।**

load কৰে। কিন্তু দেখো যে সেইবোৰ কেতিয়াও ব্যৱহাৰ নকৰে আৰু পাচত যেতিয়া কম্পিউটাৰত স্মৃতিশক্তি (Memory) কমি যায় delet কৰি দিয়ে। GIGO অৰ্থাৎ Garbage in Garbage Out। সেয়ে গুগুল ডাঙৰীয়া দিয়া বিভিন্ন সংজ্ঞাবোৰ পঢ়ি কম্পিউটাৰটো আঁতৰাই পুনৰ পুৰণি বন্ধু Advance Learners Dictonary খন মেলি ল'লো। Dictonaryখন মেলি লোৱাৰ লগে লগে মনত পৰিল দেউতালৈ। সৰুতে দেউতাই বাৰ বছৰ বয়সতে এখন Chambers Dictonary কিনি দিছিল আৰু কৈছিল যে নিতৌ পাঁচটাকৈ শব্দ তাৰ পৰা আয়ত্ত কৰিবৰ বাবে। বাৰ বছৰৰ পাচত যেতিয়া বয়স ২৪ বছৰ হ'ব তেতিয়ালৈকে ৩৬৫×৫×১২ = ২১৯০০ বা প্ৰায় ২০০০০ ইংৰাজী শব্দ সলসলীয়াকৈ আয়ত্ত হ'ব। দেউতাৰ কথা গুৰুত্বসহকাৰে ন'ল'লো আৰু ২৫ বছৰ বয়সত প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হওঁতে বহুত পস্তালো। 'বুঢ়াৰ কথা নুশুন ডেকা, টানত পৰি কিয় কেকা।' মোৰ ছোৱালীকো একেদৰেই Advance Learners Dictonary কিনি দিলো। তায়ো মোৰ কথা নুশুনিলে আৰু আজি পঁচিশ বছৰ বয়সত তায়ো পস্তায়। কিন্তু যুক্তিৰ খাতিৰত কয় যে তুমি আৰ্হি নেদেখুৱালা উপদেশ দিলা সেয়ে হয়তো তেতিয়া গুৰুত্ব উপলব্ধি কৰা নাছিলো।





যি কি নহ'ওক Advance Learnersখন হাতত লৈ ভাল লাগিল। সংক্ষিপ্ত সংজ্ঞা— All those who writrol a business, enterprise etc is management. মেনেজমেণ্টৰ সংজ্ঞাৰ লগত আন এটা সংজ্ঞা অতি প্ৰয়োজনীয় আৰু সেইটো হ'ল মেনেজাৰৰ সংজ্ঞা। পুনৰ Advance Learners খন মেলি চালো— Manager : Person controlling a business. Persons who controls people, a household, money etc. কিছু সময় চিন্তা কৰাৰ পাচত ভাব হ'ল সংজ্ঞা দুটা আৰু অলপ বহল হোৱা উচিত। টেবুলতে পৰি থকা অৰিন্দম চৌধুৰীৰ কিতাপ Count your Chicken Before They Hatch খন লুটিয়াই চালো— Management is about understanding your men. It is about understanding their cultural upbringing and finding out a style to suit the same in order to make them more productive. সংজ্ঞাটো পঢ়ি ভাব হ'ল ডাঙৰ ডাঙৰ মেনেজমেণ্ট গুৰুবো গুৰু দেখোন আমাৰ অসমতে বিদ্যমান। মহাপুৰুষ শংকৰদেৱতকৈ আৰু ডাঙৰ মেনেজমেণ্ট গুৰু আৰু কোন হ'ব পাৰে? ভূপেন হাজৰিকাৰ সদায়ে শুনি থকা গানটো মনতে গুণ গুণাই উঠিলো— ধনে ধনে বুলি ঢাপলি মেলিলো... জগতৰে গুৰু শংকৰ ঘৰতে অন্ধলাই নিচিনিলো... গুৰু শংকৰ।' আজিৰ পৰা কেইবাশ বছৰ আগতেই সমাজ আৰু সংস্কৃতিক একে দোলেৰে জুৰি মানুহক উৎপাদনমুখী আৰু পোহৰৰ দিশে



আগুৱাই নিয়া সমাজ সংস্কাৰক মহাপুৰুষ শংকৰদেৱ সঁচাকৈয়ে অসমৰ বাবে মেনেজমেণ্টৰ এজন আদিগুৰু। সৰুতে আইতাই শুনোৱা কীৰ্তন, দশম, গুণমালা, ভাগৱত আদিৰ কথাবোৰ এটা-দুটাকৈ মনত পৰিবলৈ ধৰিলে। মনটো ফৰকাল ফৰকাল লাগিল। সেয়ে ভাবিলো মেনেজমেণ্টৰ ছাত্ৰ আৰু professional হিচাপে ময়ো নিজৰ সংজ্ঞা ভবা উচিত আৰু কিতাপখন এনে সংজ্ঞা দিয়া উচিত।

মেনেজমেণ্টৰ নিজস্ব সংজ্ঞা লিখিবলৈ গৈ প্ৰথমেই চিন্তাত পৰিলো যে মেনেজমেণ্ট এক বিজ্ঞান নে কলা নে দুয়োৰে সংমিশ্ৰণ। মহাপুৰুষ শংকৰদেৱক মেনেজমেণ্টৰ আদিগুৰু মনাৰ পাচত মেনেজমেণ্ট কেতিয়াও এক বিজ্ঞান (Pure Science) হ'ব নোৱাৰে। তদুপৰি মেনেজমেণ্ট শিক্ষাতো কলা, বিজ্ঞান, বাণিজ্য যিকোনো বিষয়ৰে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰিব পাৰে। সেয়ে মোৰ মতে মেনেজমেণ্ট হ'ল বিজ্ঞানসন্মত এক কলা। মোৰ এজন ইঞ্জিনীয়াৰ বন্ধুৰ লগত আলোচনা কৰিলো। তেওঁৰ মতে মেনেজমেণ্ট এক Science কলা নহয়। মই তেওঁৰ লগত সম্পূৰ্ণ একমত নহ'লো যদিও মেনেজমেণ্ট যে বিজ্ঞানসন্মত কলা এই বিষয়ে মই নিশ্চিত। সেয়ে মই মোৰ নিজৰ প্ৰথম সংজ্ঞা এইদৰে লিখিলো— 'Management is the science/art of optimizing resources (man, machine, money, materials and market) for maximizing desired result (profit, service, good will etc.)' কিন্তু নিজৰ সংজ্ঞাত নিজেই এশ শতাংশ সন্তুষ্ট নোহোৱাত পুনৰ ভাবিলো যে যিহেতু মেনেজমেণ্টৰ কেন্দ্ৰবিন্দু হ'ল মানুহ আৰু মানুহৰ উৎকৰ্ষতা সাধন সেয়ে ইয়াৰ সংজ্ঞা এনে হোৱা উচিত— 'Management is the collective writ of the people (government/share holders/stake holders/society) to achieve the desired (or declared) result in the most economical and efficient way.' কিন্তু দুটা সংজ্ঞা প্ৰস্তুত কৰাৰ পাচত ভাব হ'ল যেন কিবা এটা বাদ পৰি গৈছে। সেয়ে আকৌ তৃতীয় এটা সংজ্ঞা লিখিলো— 'Management is the collective effort of people (share holder/ stake holder/ employee/ society etc) to achieve the mission, goal and objective at an institution/ organization in the most economical and effective way. Like the edfinition of democracy, management is also for the people. (customers/buyers/ employees etc), by the people (managers/ share holders/ stake holders etc) of the people (share holders/ stake holders/ society/ employees etc).' এই তিনিওটা সংজ্ঞাৰ ভিতৰত কোনটো সৰ্বাতোকৈ appropriate পাঠক সমাজে নিৰ্ধাৰণ কৰা উচিত।

মেনেজমেণ্টৰ সংজ্ঞাৰ পিচতে দ্বিতীয়টো গুৰুত্বপূৰ্ণ সংজ্ঞা মেনেজাৰ মোৰ মতে হ'ল— Manager is a person who manages man, machine, money, materials and market (5 M) or any combination of it (M/ 2M/3M/4M etc), মেনেজাৰ হ'বৰ বাবে সৈকলোতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল নেতৃত্ব দিব পৰা আৰু সমস্যা সমাধান কৰিব পৰা ক্ষমতা। সেয়ে মেনেজাৰৰ আন এক সংজ্ঞা মোৰ মতে— Manager is a leader who has ability to stay abreast, accept responsibility and innovative idea to abridge all the component of enterprise/ business (man, machine, money, materials and market) for achieving the desired (or declared) end result (product/ service/ profit/ goodwill etc) এজন ব্যক্তি মেনেজাৰ হ'বৰ বাবে তেওঁৰ থাকিব লাগিব সক্ষমতা (Knowledge, skill and wisdom).

মেনেজমেণ্ট আৰু মেনেজাৰৰ সংজ্ঞাবোৰ লিখি উঠি মই মোৰ আন এজন MBA পাছ বন্ধুক সুধিলো— বন্ধু তুমি বাৰু মেনেজমেণ্টৰ সংজ্ঞা সম্পৰ্কে কি কোৱা? কেইবাটাও কোম্পানীৰ চাকৰি এৰি ব্যৱসায় আৰম্ভ কৰা বন্ধুৱে ক'লে— 'মেনেজমেণ্ট এনে এজনী গাই গৰু যিয়ে নেকি সকলো গাইতকৈ কম দানা, ঘাঁহ আৰু পানী খোৱা উচিত। কিন্তু সকলো গাইতকৈ অধিক গাখীৰ, গোবৰ আৰু মৰিলে ছামৰা তথা হাড় দিয়া উচিত।' বন্ধুৰ উত্তৰত মই হা হা হাকৈ হাঁহিলো যদিও মোক ভবাই তুলিলে। পাঠকে আৰু মেনেজমেণ্টৰ ছাত্ৰ-ছাত্ৰী তথা তৰুণ মেনেজাৰসকলেবা বন্ধুৰ মন্তব্য সম্পৰ্কে কি ভাবে? ■